# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 17-12-2024
**Time :** 1715 Hrs

## ***Assamese Evening Bulletin***
### ***HEADLINES***

- - - - - - - - - - - - - - -

ৰাজ্য চৰকাৰৰ বিকাশৰ ১২ দিন অনুষ্ঠানৰ অংশ হিচাপে আজি বৰপেটা জিলাত আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰি কেবিনেট মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কয়, যে জনসাধাৰণৰ উন্নয়ন সাধনেই হৈছে বৰ্তমানৰ চৰকাৰৰ উদ্দেশ্য। ৰাজ্যৰ জনসাধাৰণৰ বাবে শিক্ষা, উদ্যোগ, বিত্ত আৰু ৰাজহ বিভাগৰ বিভিন্ন আঁচনিৰ জৰিয়তে চৰকাৰে বিভিন্ন শিতানৰ ২৫ লাখৰো অধিক হিতাধিকাৰীক উপকৃত কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। আজিৰ অনুষ্ঠানত শ্ৰীবৰুৱাই অসম ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠান আৰু সকাহ আঁচনিৰ অধীনত ২ হাজাৰ ৪৮ গৰাকী মহিলাক ঋণমুক্তি প্ৰমাণপত্ৰ বিতৰণ কৰাৰ লগতে বানত ক্ষতিগ্ৰস্ত হিতাধিকাৰীলৈ আৰ্থিক সাহায্য প্ৰদান কৰে। তেওঁ লগতে আত্মসহায়ক গোটৰ খাদ্য প্ৰসংস্কৰণৰ লগত জড়িত ১৮০ গৰাকী মহিলাক প্ৰাৰম্ভিক মূলধন প্ৰদান কৰে।

চিৰাং জিলাত জিলাখনৰ অভিভাৱক মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই কৃতি শিক্ষাৰ্থীসকলক আনন্দৰাম বৰুৱা বঁটাৰ চেক বিতৰণ কৰাৰ লগতে ৫৮০ গৰাকী ছাত্ৰ-ছাত্ৰীক ড০ বাণীকান্ত কাকতি মেধা বঁটা হিচাপে স্কুটী আৰু মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত ৫ হাজাৰ ৯৩৮ গৰাকী ছাত্ৰ-ছাত্ৰীৰ মাজত চাইকেল বিতৰণ কৰে।

ধুবুৰী জিলাতো এই উপলক্ষে আয়োজিত কাৰ্যসূচীত শক্তিমন্ত্ৰী প্ৰশান্ত ফুকনে মহিলাসকলৰ মাজত ঋণমুক্তি প্ৰমাণপত্ৰ বিতৰণ কৰাৰ লগতে বানত ক্ষতিগ্ৰস্ত হিতাধিকাৰীলৈ আৰ্থিক সাহায্য প্ৰদান কৰে।

চৰাইদেউ জিলাত অনুষ্ঠিত বিকাশৰ ১২ দিন কাৰ্যসূচীত অংশগ্ৰহণ কৰি মন্ত্ৰী বিমল বৰাই কয়, যে ৰাজ্য চৰকাৰে বিভিন্ন বঁটা প্ৰদানৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক উত্তৰণৰ দিশত সহায় কৰি আহিছে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক সম্পূৰ্ণ নিষ্ঠা, একাগ্ৰতা আৰু অধ্যৱসায়ৰ জৰিয়তে উৎকৃষ্ট প্ৰদৰ্শন দাঙি ধৰি নিজকে প্ৰতিষ্ঠা কৰিবলৈ আৰু সমাজৰ হিতৰ বাবে কাম কৰিবলৈ আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে আজি জিলাখনৰ ৭০০ৰো অধিক ছাত্ৰ-ছাত্ৰীক ড০ বাণীকান্ত কাকতি মেধা বঁটা, ৩৭৮ গৰাকী ছাত্ৰ-ছাত্ৰীক আনন্দৰাম বৰুৱা বঁটা আৰু নৱম শ্ৰেণীত অধ্যয়নৰত ৪ হাজাৰ ১১৬ গৰাকী ছাত্ৰ-ছাত্ৰীৰ মাজত চাইকেল বিতৰণ কৰে।

দৰং জিলাৰ মঙলদৈ গান্ধী ময়দানত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মন্ত্ৰী ৰূপেশ গোৱালা আৰু আন্যান্য বিশিষ্ট ব্যক্তিসকলে অসম মাইক্ৰ'ফাইনেন্স আৰু সকাহ আঁচনিৰ অধীনত হিতাধিকাৰীৰ মাজত ঋণমুক্তি প্ৰমাণপত্ৰ বিতৰণ কৰে।

০০০০০

নগাঁও জিলাৰ কলিয়াবৰ-চামগুৰি জলসিঞ্চন সংমণ্ডলৰ অধীনত দীৰ্ঘদিন ধৰি বিকল হৈ থকা তিনিটা জলসিঞ্চন প্ৰকল্পৰ পুনৰুজ্জীৱিতকৰণৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰা হৈছে। জলসিঞ্চন বিভাগে কলিয়াবৰৰ বৰভগীয়াৰ সৌৰশক্তিচালিত জলসিঞ্চন প্ৰকল্পৰ লগতে কুঠৰীৰ গোহাঁই গাঁৱত থকা দ্বাৰবাগৰী গভীৰ নলী-

নাদৰ দুটাকৈ সংযোগ ব্যৱস্থা পুনৰ কাৰ্যক্ষম কৰি তোলে। পূৰ্বে ডিজেলচালিত এই গভীৰ নলী–নাদৰ ব্যৱস্থাত নতুনকৈ বিদ্যুৎচালিত কৰি কাৰ্যক্ষম কৰি তোলা হৈছে। ইয়াৰ জৰিয়তে জিলাখনৰ প্ৰায় ১০ হেক্টৰ কৃষিভূমিত পানীযোগান ব্যৱস্থা কাৰ্যকৰী হৈ উঠিছে।

ooooo

গোৱালপাৰা জিলাত মাতৃ আৰু শিশুৰ উন্নত চিকিৎসাৰ বাবে ১০০ খন বিছনাযুক্ত জননী শিশু চিকিৎসালয় স্থাপন কৰা হ'ব বুলি স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংহলে ঘোষণা কৰিছে। স্বাস্থ্য বিভাগৰ দায়িত্ব লাভ কৰাৰ পাছত মন্ত্ৰীগৰাকীয়ে আজি প্ৰথমবাৰৰ বাবে গোৱালপাৰা অসামৰিক চিকিৎসালয়খন পৰিদৰ্শন কৰে। তেওঁ চিকিৎসালয়খনৰ চিকিৎসক সকলৰ সৈতেও বিভিন্ন অভাৱ-অভিযোগ সম্পৰ্কত আলোচনা কৰে। চিকিৎসা সেৱা এক পবিত্ৰ সেৱা বুলি উল্লেখ কৰি মন্ত্ৰী সিংহলে চিকিৎসক সকলক এই কথা অনুধাৱন কৰি সেৱা আগবঢ়াই যাবলৈ আহ্বান জনায়। গোৱালপাৰা অসামৰিক চিকিৎসালয়ত শীঘ্ৰেই কৰ্কট ৰোগৰ চিকিৎসাৰ সুবিধা মুকলি কৰা হ'ব বুলি স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ আগত সদৰি কৰে।

ooooo

২০২৪-২৫ বৰ্ষৰ বাবে ৰাজ্যৰ যোগ্য সমবায় সমিতিসমূহে আৰ্থিক সাহায্যৰ আবেদন দাখিলৰ সময়সীমা অহা ২০ ডিচেম্বৰত অন্ত পৰিব। হিতাধিকাৰী অসম সমবায় সমিতি আইন ২০০৭ৰ অধীনত পঞ্জীয়নভুক্ত সমবায় সমিতিসমূহে ইয়াৰ বাবে আবেদন কৰিব পাৰিব। সমবায় সমিতিসমূহৰ ২০২১-২২, ২০২২-২৩ আৰু ২০২৩-২৪ বিত্তীয় বৰ্ষৰ যথা বিধি পৰীক্ষণ হোৱাটো বাঞ্চনীয়। তদুপৰি বিগত ৩ বছৰ ধৰি নিয়মিতভাৱে বাৰ্ষিক সাধাৰণ সভা অনুষ্ঠিত কৰা সমিতিসমূহকহে এই সাহায্যৰ বাবে যোগ্য বিবেচনা কৰা হ'ব। সাধাৰণ ক্ষেত্ৰৰ সমবায় সমিতিসমূহৰ লগতে ৰাজ্যিক পৰ্যায়ৰ যোগ্য সমবায় সমিতিসমূহে www.farcs.assam.gov.in-ৰ জৰিয়তে এই আৰ্থিক সাহায্যৰ বাবে অনলাইন আবেদন কৰিব পাৰিব।

ooooo

সমাপ্ত